**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :14-**12-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে নামৰূপত এখন জনসভাতো অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া সভাস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক আৰু বিভাগীয় বিষয়াৰ সৈতে এখন পৰ্যালোচনা সভাত ভাগ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচেন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাত সহায় কৰিব। তেওঁ ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়।

বাইট (সৰ্বানন্দ)

শ্ৰীসোণোৱালে আজি নামৰূপত নিৰ্মাণ হ'বলগীয়া সাৰ নগৰী বৰনামঘৰ চৌহদৰ পকী দেৱাল নিৰ্মাণৰ কামৰো শুভাৰম্ভ কৰে। অসম চৰকাৰৰ বিশেষ পুঁজিৰে এই দেৱাল নিৰ্মাণ কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নামঘৰত সেৱা লৈ ৰাজ্যবাসীৰ কুশল কামনা কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত-বিনিময় কৰে। শ্ৰীসোণোৱালক সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ আৰু ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি কেইবাগৰাকী বিষয়াই সংগ দিয়ে।

০০০০০০

ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটাই আজি নগাঁৱৰ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। মুখ্য সচিবগৰাকীৰ সৈতে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকল্পটোৰ সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প শীৰ্ষক এটা অভিলাষী প্ৰকল্প ৰূপায়ণ কৰিছে। অহা ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে এই প্ৰকল্পটো উদ্বোধন কৰিব। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫০ হাজাৰৰো অধিক ভকত-বৈষ্ণৱৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। অনুষ্ঠানত দুহেজাৰ গায়ন-বায়ন আৰু সহস্ৰাধিক শিল্পীয়ে সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব বুলি নগাঁৱৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০

বিজেপিৰ সংসদীয় পৰিষদে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ দলৰ জ্যেষ্ঠ নেতা নীতিন নবীনক ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি হিচাপে নিযুক্তি দিছে। নীতিন নবীনে সম্প্ৰতি বিহাৰ চৰকাৰৰ এগৰাকী মন্ত্ৰী হিচাপে সেৱা আগবঢ়াই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ নেতাগৰাকীক শুভেচ্ছা জনাই কয় যে নীতিন নবীন হৈছে দলৰ এগৰাকী কঠোৰ পৰিশ্ৰমী কৰ্মী আৰু বিহাৰৰ বিধায়ক তথা মন্ত্ৰী হিচাপে তেওঁৰ যথেষ্ট সাংগঠনিক অভিজ্ঞতা আছে।

০০০০০০

গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি অসম গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰৰ গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুঁথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অহা ২৪ ডিচেম্বৰৰ পৰা ৫ জানুৱাৰীলৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই গ্ৰন্থমেলাৰ লাইখুঁটা স্থাপন কৰে। আজিৰ কাৰ্যসূচীতে অসম গ্ৰন্থমেলা গুৱাহাটীৰ প্ৰৱেশ-পত্ৰ উন্মোচন কৰা হয়। বিশিষ্ট সাহিত্যিক আমিশ ত্ৰিপাঠীয়ে অহা ২৪ ডিচেম্বৰত অসম গ্ৰন্থমেলা গুৱাহাটী উদ্বোধন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা ২০২৪-২৫ আৰু দীনদয়াল অন্ত্যোদয় যোজনা-গ্ৰাম্য উদ্যোগ অধিকাৰ আঁচনিৰ অধীনত হিতাধিকাৰী বাছনি সন্দৰ্ভত যোৰহাট জিলা আয়ুক্তৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয় সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত বৰ্তমানলৈকে লাভ কৰা আবেদনৰ অগ্ৰগতিকে ধৰি অন্যান্য আনুষঙ্গিক বিষয়ত গুৰুত্ব আৰোপ কৰাৰ লগতে এই আঁচনিসমূহৰ সুবিধা যাতে উপযুক্ত হিতাধিকাৰীয়ে লাভ কৰে তাৰ বাবে কাৰ্যপৰিকল্পনা সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

ধৰমশালাত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত দক্ষিণ আফ্ৰিকাই ভাৰতক জয়ৰ বাবে ১১৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৭ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ এইডেন মাৰ্কৰামে সৰ্বাধিক ৬১ ৰাণ কৰে। অৰ্শ্বদীপ সিং, হৰ্ষিত ৰাণা, বৰুণ চক্ৰৱৰ্ত্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে টচত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। আমালৈ বাতৰি অহাৰ পৰলৈ ভাৰতে ৫ অভাৰ দুটা বলত ১টা উইকেট হেৰুৱাই ৬০ ৰাণ কৰি খেলি আছে।

০০০০০০

**ঃ সমাপ্ত ঃ**